UG PH S4-02
(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

চতুর্থ ষাণ্মাসিক

ধর্ম দর্শন

শিক্ষা

সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক সৌৰভপ্ৰাণ গোস্বামী, দৰ্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° সাবিত্ৰী দেৱী সহযোগী অধ্যাপক, দৰ্শন বিভাগ, কটন কলেজ
ড° নৱ প্ৰসাদ নাথ, দৰ্শন বিভাগ, নগাওঁ কলেজ (অটোন'মাচ)

সমন্বয়ৰক্ষীঃ ড° তেজসা কলিতা, সহকাৰী অধ্যাপিকা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*প্ৰস্তুতি গোটৰ সদস্য*	*ভাষান্তৰকাৰী*
১,৫	ড° সুচৰিতা ডে	ড° দিপালী বেজবৰুৱা, ড° কৰবী গোস্বামী বি বৰুৱা মহাবিদ্যালয়
২	ড° অঞ্জনা নেওগ প্ৰাগজ্যোতিষ মহাবিদ্যালয	তৃষ্ণা শৰ্মা
৩	ড° কৰবী গোস্বামী নাৰেংগী আঞ্চলিক মহাবিদ্যালয়	ড° কৰবী গোস্বামী
৪	ড° নমিতা কলিতা নগাঁও ছোৱালী মহাবিদ্যালয়	ড° ৰূপজ্যোতি দত্ত
৬,৭	ড° মাইনা শৰ্মা বি বৰুৱা মহাবিদ্যালয়	ড° ৰূপজ্যোতি দত্ত
৮,১০	ড° সুচৰিতা ডে বি বৰুৱা মহাবিদ্যালয়	মাইনু দেৱী বৰুৱা
৯,১১,১২,১৩	ড° নমিতা কলিতা নগাঁও ছোৱালী মহাবিদ্যালয	গিতাঞ্জলী মেধি
১৪	ড° মৌচুমী ভট্টাচার্য্য গুৱাহাটী বিশ্ববিদ্যালয়	মাইনু দেৱী বৰুৱা
১৫	ড° অঞ্জনা চলিহা	কীর্তি কলিতা

বিষয়বস্তু সম্পাদনা ঃ ড° নীলিমা গোস্বামী, ড° অঞ্জনা নেওগ
ভাষা সম্পাদনা ঃ ড° ৰেখাৰাণী দেৱী, গুৱাহাটী বিশ্ববিদ্যালয়
মাইনু দেৱী বৰুৱা
গাঁথনিক সম্পাদনা ঃ ড° তেজসা কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

মার্চ, ২০২৫

ISBN NO: 978-93-87940-31-4

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

Printed and published by Registrar on behalf of the Krishna Kanta Handiqui State Open University.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্ৰকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ ৰেচম নগৰ,খানাপাৰা, **গুৱাহাটী** - ৭৮১০22 **; Web : www.kkhsou.in**

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ধর্মৰ প্রকৃতি আৰু উপযোগিতা** ৯-২০

ধর্মৰ প্রকৃতি, ধর্মৰ সংজ্ঞা, ধর্মৰ আৱশ্যকতা, ধর্মৰ উপযোগিতা, ধর্মৰ ওপৰত পর্যবেক্ষণ

অধ্যায় ২ ঃ **ধর্মৰ প্রকৃতি, ধর্মৰ পৰিসৰ** ২১-৩৮

ধর্মৰ অর্থ, ধর্মৰ প্রকৃতি, ধর্ম আৰু নৈতিকতা, ধর্ম আৰু কলা, ধর্ম আৰু বিজ্ঞান, ধর্ম আৰু দর্শন, ধর্মৰ পৰিসৰ

অধ্যায় ৩ ঃ **ধর্ম, দর্শন আৰু বিজ্ঞান** ৩৯-৫১

ধর্ম আৰু দর্শন; ধর্মদর্শন আৰু দর্শন; ধর্ম আৰু বিজ্ঞান; ধর্ম বিজ্ঞান; ধর্মদর্শন আৰু ধর্মবিজ্ঞান; ধর্ম, দর্শন আৰু বিজ্ঞান; ভাৰতত ধর্ম, দর্শন আৰু বিজ্ঞানৰ আন্তঃসম্পর্ক

অধ্যায় ৪ ঃ **ধর্মীয় চেতনা** ৫২-৬২

চেতনাৰ সাধাৰণ অর্থ ঃ চেতনাৰ লক্ষণ; ধর্মীয় চেতনা ঃ ৰ'ডলফ্ অট'ৰ ধর্মীয় চেতনা; ধর্ম, চেতনা আৰু ধর্মীয় চেতনাৰ মাজৰ পার্থক্য

অধ্যায় ৫ ঃ **ধর্মৰ উৎপত্তি সম্পর্কীয় মতবাদ** ৬৩-৭৫

নৃত্বাত্ত্বিক মতবাদৰ প্রয়োজনীয়তা, ই.বি. টেইলৰৰ সর্বপ্রাণবাদ, হাবার্ট স্পেনচাৰৰ কুলপূজা বা প্রেত পূজা, কুলচিহ্ন বা প্রতীক পূজাবাদ, যাদুশক্তিবাদ বা আদ্যাশক্তিবাদ, ধর্মৰ উৎপত্তি সম্পর্কীয় আটাইতকৈ সন্তোষজনক মতবাদ, ধর্ম বিষয়ক নিষেধ, মনস্তাত্ত্বিক মতবাদ, ধর্মীয় প্রবৃত্তি মতবাদ, একক উপাদান সম্পর্কীয় আবেগিক মতবাদ, ধর্মীয় শক্তি বা বৃত্তি

অধ্যায় ৬ ঃ **ফ্রয়েডৰ ধর্মৰ উৎপত্তি সম্পর্কীয় মতবাদ** ৭৬-৮৬

ফ্রয়েডৰ জীৱন আৰু কর্ম ঃ সাধাৰণ পটভূমি, মনোবিশ্লেষণ আৰু ধর্ম, ফ্রয়েডৰ ধর্মৰ উৎপত্তি সম্পর্কীয় মতবাদ, অ'ডিপাছ কমপ্লেক্স

অধ্যায় ৭ ঃ **ঈশ্বৰৰ প্রত্যাদেশ আৰু বিশ্বাস, আধ্যাত্মিকতা** ৮৭-৯৮

খ্রীষ্টানসকলৰ বিশ্বাসত ঈশ্বৰৰ প্রত্যাদেশ, বিশ্বাস, প্রাকৃতিক ধর্মতত্ত্ব আৰু প্রকাশিত ধর্মতত্ত্ব, ঈশ্বৰৰ প্রত্যাদেশৰ বিভিন্ন দিশ, ভাৰতীয় পৰম্পৰাত ঈশ্বৰৰ প্রত্যাদেশ, আধ্যাত্মিকতা, ইয়াৰ সংজ্ঞা আৰু লক্ষণসমূহ?, স্বাধীন ইচ্ছাৰ সপক্ষে যুক্তি অদৃষ্টবাদ, ভাগ্যবাদ আৰু বৈজ্ঞানিক নিয়তিবাদ, স্বাধীনতা আৰু নিয়তিবাদ

অধ্যায় ৮ ঃ **খ্রীষ্টান ধর্মৰ কেইটামান প্রাথমিক বিশেষত্ব** ৯৯-১১৩

খ্রীষ্টান ধর্ম আৰু ইয়াৰ ক্রমবিকাশ, খ্রীষ্টান ধর্মৰ প্রধান লক্ষণসমূহ, খ্রীষ্টান ধর্মত ত্রিনিতিৰ ধাৰণা

অধ্যায় ৯ ঃ ইছলাম ধর্ম ঃ পঞ্চ স্তম্ভ ১১৪-১২৮

ইছলাম ধর্মৰ মূল বৈশিষ্ট্য, ঈশ্বৰৰ পৰম ঐক্যতাৰ মতবাদ, ইছলাম ধর্মৰ মতে মানুহ আৰু ঈশ্বৰৰ মাজৰ সম্পর্ক, মানুহৰ অন্তিম লক্ষ্যৰ প্রশ্ন (স্বর্গ আৰু নৰকৰ ধাৰণা), ইছলামৰ পঞ্চ স্তম্ভ

অধ্যায় ১০ ঃ হিন্দুধর্ম ঃ ঈশ্বৰ, মানুহ আৰু মুক্তিৰ ধাৰণা ১২৯-১৫১

হিন্দুধর্মৰ উৎসসমূহ, হিন্দুধর্ম ইয়াৰ লক্ষণ, হিন্দুধর্ম আৰু কর্মবাদ, হিন্দুধর্ম আৰু মোক্ষৰ ধাৰণা

অধ্যায় ১১ ঃ অমঙ্গলৰ সমস্যা ১৫২-১৬৭

অমঙ্গল কি? মূল সমস্যা, অমঙ্গলৰ অস্তিত্ব, অমঙ্গল সম্পর্কীয় বিভিন্ন মতবাদ, অমঙ্গল আৰু যন্ত্রণা কিয় অস্তিত্বশীল?

অধ্যায় ১২ ঃ ঈশ্বৰৰ অস্তিত্ব প্রমাণ কার্যকাৰণবাদী আৰু প্রয়োজনবাদী প্রমাণ' ১৬৮-১৯৩

কার্যকাৰণ /যুক্তি আদি কাৰণ যুক্তি/ জগৎকাৰণ যুক্তি, ঈশ্বৰৰ অস্তিত্ব সম্পর্কীয় প্রয়োজনবাদী যুক্তি

অধ্যায় ১৩ ঃ ঈশ্বৰৰ অস্তিত্বৰ প্রমাণ ঃ তাত্ত্বিক আৰু নৈতিক যুক্তি ১৯৪-২০৮

তাত্ত্বিক যুক্তি, ঈশ্বৰৰ অস্তিত্ব বিষয়ক নৈতিক যুক্তি

অধ্যায় ১৪ ঃ ধর্মীয় ভাষাৰ প্রতীকাত্মক স্বৰূপ ২০৯-২১৮

ধর্মীয় ভাষাৰ সমস্যা, ধর্মীয় ভাষাৰ সমস্যাবোৰৰ বিভিন্ন অভিগমন বা পদক্ষেপসমূহ, ধর্মীয় ভাষাৰ প্রতীকাত্মক স্বৰূপ

অধ্যায় ১৫ ঃ ধর্মীয় সহনশীলতা। ২১৯-২৩২

পাশ্চাত্যৰ দেশসমূহত ধর্মীয় সহনশীলতাৰ উত্থান আৰু বিকাশ, বিশ্বৰ কিছুমান প্রধান ধর্মত সহনশীলতাৰ ধাৰণা, সহনশীলতা আৰু খ্রীষ্টান ধর্ম, সহনশীলতা আৰু ইছলাম ধর্ম, ভাৰতীয় সংস্কৃতি আৰু হিন্দু ধর্মত সহনশীলতাৰ স্থান

পাঠ্যবিষয়ৰ পৰিচয় ঃ

ধর্ম দর্শনৰ এই পাঠ্যবিষয়টিয়ে আপোনাক ধর্মৰ সৈতে পৰিচয় কৰাই দিব। ধর্ম মানৱ জীৱনৰ এক গভীৰ অভিজ্ঞতা। ইয়াৰ ভিত্তি হৈছে অসীম সত্তাৰ প্রতি হোৱা অন্তর্জ্ঞান। এই সত্তাক বিশ্বৰ স্রষ্টা পালনকর্তা আৰু প্রলয় কাৰক বুলি মানি লোৱা হয়। যদিও ধর্মৰ মূল কেন্দ্র হৈছে ঈশ্বৰ তথাপি ধর্মীয় দর্শনে শুচিবাদক ধর্মীয় অভিজ্ঞতাৰ সাৰবস্তু হিচাপে লোৱা পৰিলক্ষিত হয়। 'ধর্ম' শব্দৰ ইংৰাজী প্রতিশব্দ ৰিলিজিয়ন শব্দটো লেটিন ভাষাৰ 'ৰেলিজিয়ন' শব্দৰ পোৱা লোৱা হৈছে। এই শব্দত ঈশ্বৰৰ প্রতি থকা বিশ্বাস আৰু ভিত্তি জড়িত হৈ থাকে। আনহাতে লেটিন মূল শব্দ 'ৰিলিজিঅ'টো হৈছে ৰিলিজৰেৰে' ক্রিয়া শব্দ। ইয়াৰ অর্থ হ'ল একে লগে বান্ধি ৰখা। ইয়াত এইটোৱেই বুজা যায় যে ধর্ম বা 'ৰিলিজিয়ন' শব্দটোৱে ভক্ত আৰু যাক ভক্তি জনোৱা হয় আৰু তাৰ মাজৰ সম্বন্ধক বুজায়। ধর্ম অর্থাৎ ৰিলিজিয়ন মানে আন একো নহয়, ই এক সম্বন্ধ, যি সম্বন্ধ ভক্ত আৰু ভক্তি জনোৱা জনৰ মাজত বান্ধ খাই থাকে। আন এটা অর্থত 'ধর্ম'ই মানুহৰ মাজত এক সম্বন্ধ সৃষ্টি কৰে। যি সকলৰ ধর্মীয় দৃষ্টিভংগী একে পর্যায়ৰ, এইদৰে 'ধর্ম' বা ৰিলিজিয়ন শব্দই প্রকৃততে সকলোৰে মাজত কিছুমান ভাবধাৰা, যেনে— ভাই-ককাইৰ ভাব, বাই-ভনীৰ ভাব প্রেম, সুখ, মৰম-স্নেহ, আনন্দ, সততা, নিস্বার্থ সেৱা আদিৰ সৃষ্টি কৰে।

প্রথম অধ্যায়টো হ'ল ধর্মৰ প্রকৃতি আৰু উপযোগিতা এই অধ্যায়টো অধ্যয়ন কৰি আপুনি ধর্মৰ প্রকৃতি, ধর্মৰ সংজ্ঞা, ধর্মৰ আৱশ্যকতা আৰু উপযোগিতাৰ বিষয়ে জানিবলৈ সুবিধা পাব।

দ্বিতীয় অধ্যায়টো হ'ল ধর্মৰ প্রকৃতি, ধর্মৰ পৰিসৰ. এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিব যে ধর্মৰ অধ্যয়ন অবিহনে মানবজাতিৰ অধ্যয়ন কেতিয়াও পূর্ণ হ'ব নোৱাৰে। ধর্ম সম্পর্কে এজন মানুহৰ মনত যিয়েই ধাৰণা নাথাকক কিয় বা ধর্মৰ প্রতি এগৰাকী ব্যক্তিৰ যিয়েই মনোভাৱ নাথাকক কিয় প্রতিজন মানুহে স্বীকাৰ নকৰাকৈ থাকিব নোৱাৰে যে ই মানুহৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূর্ণ আৰু বিশিষ্ট দিশ। আদিম কালৰেপৰা বহু যুগ যুগ ধৰি ধর্মই মানব জীৱন আৰু ইতিহাসত এক মূখ্য স্থান অধিকাৰ কৰি আহিছে। ই হ'ল মানুহৰ ক্রিয়াকলাপৰ আটাইতকৈ নিগূঢ় ৰূপ। এক অর্থত ক'বলৈ গ'লে, দার্শনিক কোঁটে কোৱাৰ দৰে ধর্মই সমগ্র অস্তিত্বক সামৰি লয় আৰু ধর্মৰ ইতিহাসে মানুহৰ উত্তৰণৰ সমগ্র ইতিহাসক পুণৰ আৱর্ত্তণি কৰে।

তৃতীয় অধ্যায়টো হ'ল ধর্ম, দর্শন আৰু বিজ্ঞান। এই অধ্যায়ত আপুনি ধর্ম আৰু দর্শন, ধর্মদর্শন আৰু দর্শন, ধর্ম আৰু বিজ্ঞানৰ মাজত থকা সম্পর্কৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব। ইয়াৰ উপৰি এই অধ্যায়ত আপুনি ধর্মবিজ্ঞান, ধর্মদর্শন আৰু ধর্ম বিজ্ঞানৰ লগতে ভাৰতবর্ষত ধর্ম, দর্শন আৰু বিজ্ঞানৰ মাজত থকা আন্তঃসম্পর্কৰ বিষয়ে জানিবলৈ সুবিধা পাব।

চতুর্থ অধ্যায়টো হ'ল ধর্মীয় চেতনা। এই অধ্যায়টোৰ অধ্যয়নৰ জৰিয়তে আপুনি চেতনাৰ সাধাৰণ অর্থ, চেতনাৰ লক্ষণ, ধর্মীয় চেতনা, ৰ'ডলফ্ অট'ই ধর্মীয় চেতনা সম্পর্কে দিয়া মতামত আৰু ধর্ম, চেতনা আৰু ধর্মীয় চেতনাৰ মাজত থকা পার্থক্যৰ বিষয়ে জানিব পাৰিব।

পঞ্চম অধ্যায়টো হ'ল 'ধর্মৰ উৎপত্তি সম্পর্কীয় মতবাদ' —ধর্ম সম্পর্কীয় আলোচনা কৰিবলৈ যাওঁতে ছাত্র ছাত্রীৰ মনলৈ অহা মূল প্রশ্নবোৰ হৈছে- ধর্মৰ উৎপত্তি কেনেদৰে হ'ল? ধর্মৰ উৎস ক'ত? ধর্মৰ আটাইতকৈ আদিম অৱস্থা কি? ইত্যাদি। এই প্রশ্নসমূহৰ উত্তৰ বিচৰাটো অতি কঠিন। কিয়নো ইয়াৰ বাবে প্রয়োজনীয় তথ্য বিচাৰিবলৈ ইতিহাসৰ পৃষ্ঠা লুটিয়াব লাগিব যিটো অতিকৈ কঠিন। এইখিনিতে নৃতত্ববিদ আৰু পূৰাতত্ত্ববিদ সকলে সংগ্রহ কৰা তথ্যৰ প্রয়োজনীয়তা আহি পৰে।

ষষ্ঠ অধ্যায়টো হ'ল **'ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদ'** —এই অধ্যায়টোৰ অধ্যয়নৰ জৰিয়তে আপুনি ফ্ৰয়েডৰ সাধাৰণ পটভূমি বুজিবলৈ,মনোবিশ্লেষণৰ অৰ্থ জানিবলৈ, ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদৰ ব্যাখ্যা কৰিবলৈ, অডিপাছ কমপ্লেক্স বৰ্ণনা কৰিবলৈ, ধৰ্ম সম্পৰ্কে ফ্ৰয়েডৰ সাধাৰণ মত জানিবলৈ আৰু ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদৰ সমালোচনা বৰ্ণনা কৰিবলৈ সক্ষম হ'ব।

সপ্তম অধ্যায়টো হ'ল **'ঈশ্বৰৰ প্ৰত্যাদেশ আৰু বিশ্বাস, আধ্যাত্মিকতা'**। এই অধ্যায়টোৱে ধৰ্ম দৰ্শনৰ এটা অতি গুৰুত্বপূৰ্ণ বিষয়, ঈশ্বৰৰ প্ৰত্যাদেশ, বিশ্বাস আৰু আধ্যাত্মিকতাৰ পৰিচয় দাঙি ধৰিব। গুণগতভাৱে, পৃথিৱীৰ প্ৰত্যেকটো মুখ্য ধৰ্মতেই ঈশ্বৰৰ প্ৰত্যাদেশ, বিশ্বাস আৰু আধ্যাত্মিকতাৰ এক গুৰুত্বপূৰ্ণ স্থান আছে। পৰম্পৰাগত জিউছ- খ্ৰীষ্টান আৰু ইছলাম আস্তিকবাদ মতে, যদিহে ঈশ্বৰ অলৌকিক বা মানুহৰ জ্ঞানৰ অতীত আৰু আন কাকো স্বীকাৰ কৰিব নোৱাৰি যে ঈশ্বৰ সহায়হীন মানুহৰ কাৰণে সুলভ বা সুগম।

অষ্টম অধ্যায়টো হ'ল **খ্ৰীষ্টান ধৰ্মৰ কেইটামান প্ৰাথমিক বিশেষত্ব** এই অধ্যায়টো অধ্যয়ন কৰি আপুনি খ্ৰীষ্টান আৰু ধৰ্মৰ বিষয়ে যীশুখ্ৰীষ্টৰ শিক্ষাদানৰ আলোচনা কৰিবলৈ, ধৰ্মপ্ৰচাৰমূলক ধৰ্ম হিচাপে খ্ৰীষ্টান ধৰ্মৰ বিশ্লেষণ কৰিবলৈ, খ্ৰীষ্টানধৰ্মৰ লক্ষণবোৰ বৰ্ণনা কৰিবলৈ আৰু খ্ৰীষ্টানধৰ্মৰ 'ত্ৰিনিতি' মতবাদৰ ব্যাখ্যা কৰিবলৈ সুবিধা পাব।

নৱম অধ্যায়টো হ'ল **'ইছলাম ধৰ্ম ঃ পঞ্চ স্তম্ভ .** এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিব যে যদিও বহুতো মনীষিয়ে কয় যে ইছলাম ধম এক ধৰ্মপ্ৰচাৰ সম্পৰ্কীয় আগ্ৰহ যুক্ত ইহুদী ধৰ্মৰ বাদে একো নহয়,তথাপি ইয়াৰ বহুসংখ্যক বিশেষ বৈশিষ্ট্য আছে। ছেমাইট নৃগোষ্ঠীয় ধৰ্ম হোৱা হেতু এই ধৰ্ম জোৰাষ্টিয়ান ধৰ্ম, ইহুদী ধৰ্ম আৰু খ্ৰীষ্টান ধৰ্মৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে। কিন্তু এই প্ৰভাৱবোৰৰ পৰিবৰ্ত্তে ইছলাম ধৰ্মৰ নিজস্ব বহুতো বৈশিষ্ট্য আছে।

দশম অধ্যায়টো হ'ল **হিন্দুধৰ্ম ঃ ঈশ্বৰ, মানুহ আৰু মুক্তিৰ ধাৰণা**। এই অধ্যায়ত আপুনি জানিব পাৰিব যে হিন্দুধৰ্মৰ সাৰাংশ নিহিত হৈ আছে বেদ, উপনিষদ আৰু ধৰ্মশাস্ত্ৰসমূহৰ লগতে দুখন মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ পবিত্ৰ সৃষ্টিৰ মাজত। তদুপৰি আমি হিন্দুধৰ্মত তন্ত্ৰসমূহৰ কথা পাওঁ যিবোৰ আধ্যাত্মিক অনুসন্ধানৰ গোপন তথ্য আৰু প্ৰাশ্চ্য দৰ্শনৰ বিভিন্ন পদ্ধতিবোৰৰ লগত জড়িত হৈ থাকে। তদুপৰি হিন্দুধৰ্ম হৈছে পৃথিৱীৰ এটা অতি পুৰণি সজীৱ ধৰ্ম যি জ্ঞানৰ অনুসন্ধান কৰি 'Tat tvam asi-that thou art' —এই কথাকেইটাত উপনীত হয়। যাৰ অৰ্থ হ'ল আত্মা প্ৰকৃততে ব্ৰহ্ম।

একাদশ অধ্যায়টো হ'ল **অমঙ্গলৰ সমস্যা**। এই অধ্যায়টোৰ অধ্যয়নৰ জৰিয়তে আপুনি অমঙ্গলৰ ধাৰণা ব্যাখ্যা কৰিবলৈ, অমঙ্গলৰ অস্তিত্ব সৰ্ম্পকে আলোচনা কৰিবলৈ, বিভিন্ন দৃষ্টিকোণৰ পাৰ অমঙ্গল সম্পৰ্কে বৰ্ণনা কৰিবলৈ, কিয় অমঙ্গল আৰু যন্ত্ৰণা অস্তিত্বশীল তাৰ কাৰণ ব্যাখ্যা কৰিবলৈ পাৰিব।

দ্বাদশ অধ্যায়টো হ'ল **'ঈশ্বৰৰ অস্তিত্ব প্ৰমাণঃ কাৰ্যকাৰণবাদী আৰু প্ৰয়োজনবাদী প্ৰমাণ'** —জগৎকাৰণ যুক্তিটোৰ সমালোচনাত্মক আলোচনা আগবঢ়াব পাৰিব, ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় প্ৰয়োজনবাদী প্ৰমাণবোৰ ব্যাখ্যা কৰিব পাৰিব, প্ৰয়োজনবাদী প্ৰমাণ সম্পৰ্কে প্লেট'ৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব, প্ৰয়োজনবাদী প্ৰমাণ সম্পৰ্কে কাণ্টৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব, প্ৰয়োজনবাদী প্ৰমাণ সম্পৰ্কে হেনৰী ম'ৰৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব, এফ. আৰ. টেনাণ্টৰ দৃষ্টিভংগী ব্যাখ্যা কৰিব পাৰিব, প্ৰয়োজনবাদী যুক্তিৰ সমালোচনাত্মক আলোচনা আগবঢ়াব পাৰিব

ত্রয়োদশ অধ্যায়টো হ'ল **'ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণ ঃ তাত্ত্বিক আৰু নৈতিক যুক্তি'** —এই অধ্যায়টোৰ অধ্যয়নৰ জৰিয়তে আপুনি ঈশ্বৰৰ অস্তিত্বৰ তাত্ত্বিক প্ৰমাণসমূহ ব্যাখ্যা কৰিব পাৰিব, চেইণ্ট আনচেল্মৰ দৃষ্টিভংগীটো আলোচনা কৰিব পাৰিব, ডেচকার্টিজৰ দৃষ্টিভংগীটো ব্যাখ্যা কৰিব পাৰিব, তাত্ত্বিক যুক্তিটোৰ সমালোচনাত্মক আলোচনা আগবঢ়াব পাৰিব, ঈশ্বৰৰ অস্তিত্বৰ নৈতিক যুক্তিটো ব্যাখ্যা কৰিব পাৰিব, কাণ্টৰ দৃষ্টিভংগীটো আলোচনা কৰিব পাৰিব, ঈশ্বৰ বিষয়ক ভাৰতীয় ধাৰণা (নৈতিক যুক্তি) টো আলোচনা কৰিব পাৰিব, নৈতিক যুক্তিটোৰ সমালোচনাত্মক আলোচনা আগবঢ়াব পাৰিব।

চৰ্তুদশ অধ্যায়টো হ'ল **'ধৰ্মীয় ভাষাৰ প্ৰতীকাত্মক স্বৰূপ'**। এই অধ্যায়ত আপুনি জানিব পাৰিব যে মানুহৰ জীৱনত ভাষাই এক অতি গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। ভাষাৰ সংজ্ঞা কিবা এটা হিচাপে দিয়া হয়, যি মানৱ জাতিক অন্যান্য জীৱ-জন্তুৰ পৰা পৃথক কৰে, যিহেতু মানুহৰ ভাষাৰ জৰিয়তে সংযোগ কৰাৰ সামৰ্থতা আছে আৰু অন্যান্য জীৱ-জন্তু সেই সক্ষমতা নাথাকে।

সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, নৈতিক, সাংস্কৃতিক নাইবা ধৰ্মীয় আদি সকলো ক্ষেত্ৰতে উদ্বেগ, অনুভূতি আদিৰ মানৱীয় আদান-প্ৰদান সম্ভৱ হয় ভাষাৰ জৰিয়তে। ধৰ্ম হৈছে মানুহৰ বৰ লাগতিয়াল এক অংশ।

পঞ্চদশ অধ্যায়টো হ'ল **ধৰ্মীয় সহনশীলতা**। এই অধ্যায়ত আপুনি জানিব পাৰিব যে নিজৰ ধৰ্মীয় বিশ্বাস আৰু আচাৰ সমূহৰ সৈতে পাৰ্থক্য থকা স্বত্বেও আন আন ধৰ্মীয় বিশ্বাস আৰু আচাৰসমূহ গ্ৰহণ কৰাৰ মানসিকতাকে ধৰ্মীয় সহনশীলতা বা উদাৰতা বুলি কোৱা হয়। ধৰ্মীয় অসহিষ্ণুতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিলেহে আমি ধৰ্মীয় সহনশীলতাৰ ধাৰনাটো ভালদৰে বুজিব পাৰিম। যেতিয়া কোনো এক ধৰ্মই দাবী কৰে যে সেই ধৰ্মই চূড়ান্তভাৱে সত্য আৰু পৰমশক্তিমানক অনুধাৱন কৰাৰ লগতে উপাসনা কৰাৰ ক্ষেত্ৰত কেৱল সেই ধৰ্মইহে যথাৰ্থ পদ্ধতি অৱলম্বন কৰে তেতিয়া স্বাভাৱিকতেই আন ধৰ্মমত আৰু নীতি সমূহৰ প্ৰতি সেই ধৰ্ম অসহনশীল ৰূপে পৰিগণিত হয়।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্ৰতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্ৰগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্ৰগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্ৰশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।